জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬৬৪/২০২০**

# গান্ধী মণ্ডপত আয়োজিত গান্ধী জয়ন্তী অনুষ্ঠানত অংশ গ্ৰহণ কৰি জাতিৰ পিতা গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## উঠি অহা প্ৰজন্মৰ মাজত গান্ধীজীৰ আদৰ্শৰ বিষয়ে এক শক্তিশালী চেতনা জগাই তুলিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ অক্টোবৰ ঃ** জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫১ তম্ জন্ম জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ শৰণীয়া পাহাৰত থকা গান্ধী মণ্ডপত থকা জাতি পিতাগৰাকীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিবেদন কৰে। এই উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী মণ্ডপত আয়োজিত এখন সৰ্ব ধৰ্ম প্ৰাৰ্থনা সভতো মুখ্যমন্ত্ৰীয়ে অংশ গ্ৰহণ কৰে।

ইয়াৰ পিছতে গান্ধী মণ্ডপত উপস্থিত থকা সংবাদিকসকলক উদ্দেশ্যি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গান্ধী জয়ন্তী উপলক্ষে বিশ্বৰ সমগ্ৰ মানৱ সমাজে আজি বাপুজীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। বাপুজীয়ে আমাক সকলোকে অহিংস নীতিৰে সমাজ নিৰ্মাণৰ কামত আগৰণুৱাৰ ভূমিকা পালন কৰাৰ বাবে পথ প্ৰদৰ্শন কৰি থৈ গৈছে। সততা আৰু নিষ্ঠাৰে জীৱন গঢ়াৰ বাবে বাপুজীয়ে আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গৈছে। বাপুজীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাই ঈশ্বৰ পৰায়ণতা আদৰ্শৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক এই নীতিৰ প্ৰতি উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছে। বাপুজীৰ আদৰ্শৰে স্বচ্ছ ভাৰত নিৰ্মাণৰ যাত্ৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সৰ্বস্তৰৰ জনতাক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছে আৰু ভাৰতৰ জনসাধাৰণেও এই কাৰ্যসূচীক আন্তৰিকতাৰে আকোঁৱালি লৈ ইয়াক সফল ৰূপ প্ৰদান কৰিছে। গান্ধীজীৰ আদৰ্শৰে অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা সকলো শ্ৰেণীৰ জনসাধাৰণক শান্তি-সম্প্ৰীতি অটুত ৰাখি এখন শক্তিশালী সমাজ গঢ়াৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। উঠি অহা প্ৰজন্মৰ মাজত গান্ধীজীৰ আদৰ্শৰ বিষয়ে এক শক্তিশালী চেতনা জগাই তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গান্ধীজীৰ আদৰ্শৰে বিশ্বৰ বুকুত ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ যাত্ৰাত ভাৰতবৰ্ষৰ জনসাধাৰণে দৃঢ়তাৰে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সকলোৰে মিলা প্ৰীতিৰে নিষ্ঠা আৰু সততাৰে কাম কৰিলে এই লক্ষ্যত উপনীত হ'ব পাৰিব বুলিও কয়।

আজিৰ এই অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুকে ধৰি বহু সংখ্যক গণ্য-মন্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**২/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in